# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই কালি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰে।

২। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ হ'ব।

৩। সামগ্ৰী আৰু সেৱাকৰ পৰিষদে তীখা, লো আৰু এলুমিনিয়ামেৰে নিৰ্মিত গাখীৰৰ সৰু পাত্ৰৰ ওপৰত ১২ শতাংশৰ সমহাৰৰ কৰ আৰোপ কৰাৰ পৰামৰ্শ আগবঢ়াইছে।

৪। তিবৱতৰ আধ্যাত্মিক নেতা দালাই লামাই বিহাৰৰ ৰাজগিৰিত নালন্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে।

*আৰু*

৫। ভাৰতে যোৱানিশা আই চি চি, টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ এখন খেলত বাংলাদেশক ৫০ ৰানত পৰাস্ত কৰে।

ooooo

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই কালি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰে। আলোচনাৰ অন্তত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয় যে, দুয়োখন দেশৰ মাজৰ নিয়মীয়া আলোচনাই ১৯৭১ চনৰ বাংলাদেশৰ মুক্তি সংগ্ৰামেৰে আৰম্ভ হোৱা মৈত্ৰী আৰু সহযোগিতাৰ যাত্ৰাকে প্ৰতিফলিত কৰে। তেওঁ কয় যে, ভাৰত আৰু বাংলাদেশে বিভিন্ন ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা সুদৃঢ় কৰাৰ দিশত ক্ষিপ্ৰতাৰে আগবাঢ়িছে আৰু নতুন খণ্ডত সহযোগিতা গঢ়ি তুলিছে। ইয়াৰ ফলত ভাৰত আৰু বাংলাদেশৰ মিত্ৰতাৰ নতুন ভৱিষ্যৎ আৰম্ভ হ'ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। বৈঠকত দুয়োগৰাকী নেতাই অৰ্থনৈতিক সম্পৰ্ক, উন্নয়নমূলক সহযোগিতা, প্ৰতিৰক্ষা সহযোগিতা, শক্তি, সুৰক্ষা আৰু যোগাযোগকে ধৰি সকলো ক্ষেত্ৰত সম্পৰ্ক সুদৃঢ় কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

আনহাতে, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে, দুয়োপক্ষই উভয় দেশৰ মাজত গভীৰভাৱে শিপাই থকা ঐতিহাসিক সম্পৰ্কত গুৰুত্ব আৰোপ কৰি আহিছে আৰু দেশ দুখনৰ বিভিন্ন বিষয়ত দৃষ্টিভংগীও একে ধৰণৰ। এই বিষয়সমূহৰ ভিতৰত অৰ্থনৈতিক আৰু উন্নয়নমূলক সহযোগিতা, আঞ্চলিক যোগাযোগ, সেউজ শক্তি, ডিজিটীয় প্ৰসাৰ আৰু মহাকাশ ক্ষেত্ৰৰ সহযোগিতা অন্যতম।

ooooo

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ হ'ব। এই অধিবেশনত নৱনিৰ্বাচিত সদস্যসকলে শপতগ্ৰহণ কৰিব। অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰা বি জে পিৰ জ্যেষ্ঠ সাংসদ ভৰ্তৃহৰি মহতাবে লোকসভাৰ নৱনিৰ্বাচিত সাংসদসকলক শপতবাক্য পাঠ কৰোৱাব। লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। আনহাতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৭ জুনত লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্যসভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। ৩ জুলাইত সংসদৰ অধিবেশনৰ সামৰণি পৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেশৰ বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে কৰা প্ৰস্তুতিৰ বুজ ল'বলৈ এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হ'ব। শ্ৰীশ্বাহৰ পৌৰহিত্যৰ এই বৈঠকখন আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

ooooo

সামগ্ৰী আৰু সেৱাকৰ পৰিষদে তীখা, লো আৰু এলুমিনিয়ামেৰে নিৰ্মিত গাখীৰৰ সৰু পাত্ৰৰ ওপৰত ১২ শতাংশৰ সমহাৰৰ কৰ আৰোপ কৰাৰ পৰামৰ্শ আগবঢ়াইছে। নতুন দিল্লীত অনুষ্ঠিত সামগ্ৰী আৰু সেৱাকৰ পৰিষদৰ ৫৩ সংখ্যক বৈঠকৰ অন্তত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লগতে ভাৰতীয় ৰে'ল বিভাগে যাত্ৰীসকললৈ আগবঢ়োৱা প্লেটফৰ্ম টিকটৰ বিক্ৰী, জিৰণি কোঠা আৰু বেটাৰী চালিত সেৱাৰ লেখীয়া সুবিধাসমূহ জি এছ টি কৰৰ আঁওতাৰ বাহিৰত থাকিব বুলি ঘোষণা কৰে। তেওঁ কয় যে, জম্মু-কাশ্মীৰ আৰু হিমাচল প্ৰদেশৰ আপেল খেতিয়কসকলক উপকৃত কৰাৰ উদ্দেশ্যে পৰিষদে সকলো ধৰণৰ কাৰ্টন আৰু ভাঁজ খোৱা আৰু ভাঁজ নোখোৱা দুয়োধৰণৰ পেপাৰ বোৰ্ডৰ বাকচৰ ওপৰত আৰোপিত জি এছ টি হাৰ ১২ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শ্ৰীমতী সীতাৰমনে কয় যে, সৰ্বভাৰতীয় পৰ্যায়ত বায়'মেট্ৰিক আধাৰিত আধাৰ প্ৰমাণিকৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। ইয়াৰ ফলত ভুৱা চালানৰ জৰিয়তে উত্থাপন কৰা ভুৱা ইনপুট টেক্স ক্ৰেডিটৰ দাবীৰ সমস্যা সমাধান কৰিব পৰা যাব। মন্ত্ৰীগৰাকীয়ে কয় যে, ক্ষুদ্ৰ কৰদাতাসকলক সহায় কৰাৰ উদ্দেশ্যে পৰিষদে জি এছ টি আৰ ৪ প্ৰ-পত্ৰ যোগে বিৱৰণ আৰু ৰিৰ্টান দাখিল কৰাৰ সময়সীমা ৩০ এপ্ৰিলৰ পৰা ৩০ জুনলৈ বৃদ্ধি কৰাৰ পৰামৰ্শ আগবঢ়াইছে। জি এছ টি পৰিষদে ভুৱা বিল, তথ্য লুকুৱা অথবা ভুল বিৱৰণৰ লেখীয়া বিষয় জড়িত হৈ নথকা ঘটনাসহ সামগ্ৰী আৰু সেৱাকৰ আইনৰ ৭৩ নম্বৰ ধাৰাৰ অধীনত জাৰী কৰা ডিমাণ্ড নটিছৰ ক্ষেত্ৰত সূদ আৰু জৰিমণা মাফ কৰাৰ পৰামৰ্শ আগবঢ়াইছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ৭৩ নম্বৰ ধাৰাৰ অধীনত ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষৰ বাবে জাৰী কৰা সকলো জাননীৰ বাবে পৰিষদে ডিমাণ্ড নটিছৰ ক্ষেত্ৰত সূদ আৰু জৰিমণা মাফ কৰাৰ পৰামৰ্শ আগবঢ়াইছে।

ooooo

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনুষ্ঠিত নীট ইউ জি পৰীক্ষাত সংঘটিত অনিময় সংক্ৰান্তত বিহাৰ আৰক্ষীয়ে ঝাৰখণ্ডৰ দেওঘৰৰ পৰা  ৬ জন লোকক গ্ৰেপ্তাৰ কৰিছে। দেওঘৰ  সদৰৰ মহকুমা আৰক্ষী বিষয়া ঋত্তিক শ্ৰীবাস্তৱে কৈছে যে, সন্দেহযুক্ত লোককেইজনক দেবীপুৰ আৰক্ষী থানা এলেকাৰ দেওঘৰ এইমছৰ ওচৰৰ এটা ভাড়াঘৰৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। লোককেইজনক আৰক্ষীয়ে নিজৰ জিম্মাত লোৱাৰ লগতে বিহাৰলৈ প্ৰেৰণ কৰে। বিহাৰ আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ শাখাই এই গোচৰটোৰ তদন্ত অব্যাহত ৰাখিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী-দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

তিববতৰ আধ্যাত্মিক নেতা দালাই লামাই বিহাৰৰ ৰাজগিৰিত নালন্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে। দেশৰ যুৱক-যুৱতীসকলৰ মাজত প্ৰাচীন ভাৰতৰ জ্ঞান আৰু প্ৰজ্ঞাৰ প্ৰতি বৰ্ধিত আগ্ৰহে তেওঁকো উৎসাহিত কৰিছে বুলি আধ্যাত্মিক নেতাগৰাকীয়ে উল্লেখ কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে কাইলৈ আৰম্ভ হ'বলগীয়া অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশনৰ প্ৰাক্‌ক্ষণত আজি নিশা চাৰে ৯ বজাৰ পৰা ১০ বজালৈ Issues Before Parliament আৰু Sansad Ke Samaksh Mudde শীৰ্ষক বিশেষ আলোচনা প্ৰচাৰ কৰিব। Issues Before Parliament শীৰ্ষক আলোচনালানি আকাশবাণীৰ ৰেইনবো আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। আনহাতে Sansad Ke Samaksh Mudde আলোচনালানি আকাশবাণী গোল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। এই আলোচনা নিউজ অন এ আই আৰ ডট কম আৰু আমাৰ ইউ টিউব চেনেল নিউজ অন এ আই আৰ অফিচিয়েল যোগেও প্ৰচাৰ কৰা হ'ব।

০০০০০

বি আই এছ্‌ অৰ্থাৎ ভাৰতীয় মানক ব্যুৰ'ই ইলেকট্ৰিক বাহনৰ সুৰক্ষাৰ বৃদ্ধিৰ বাবে দুটা নতুন মান নিৰ্ধাৰণ কৰিছে। এই নতুন বি আই এছ্‌ মান ইল্টেনিক বাহনৰ জটিল উপাদান আৰু পাৱাৰট্ৰেইনৰ লগতে কঠোৰ সুৰক্ষা প্ৰয়োজনসমূহ পূৰোৱাৰ উদ্দেশ্যে প্ৰস্তুত কৰা হৈছে। এই মান কেইটাই শক্তি আৰু সুৰক্ষাকে ধৰি বেটাৰীৰ কাম-কাজৰ ক্ষেত্ৰটো গুৰুত্ব আৰোপ কৰিছে। নতুনকৈ আৰম্ভ কৰা এই মানকেইটা এল, এম আৰু এন শ্ৰেণীৰ ইলেকট্ৰনিক বাহনৰ বাবে প্ৰস্তুত কৰা হৈছে। ইলেকট্ৰনিক পাৱাৰট্ৰেইন আৰু বেটাৰীৰ বিশ্বাসযোগ্যতাৰ লগতে সুৰক্ষা নিশ্চিত কৰাৰ দিশত এই পদক্ষেপ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০

ভাৰতে যোৱানিশা এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ এখন খেলত বাংলাদেশক ৫০ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত

১৯৫ ৰান কৰে। ভাৰতৰ হৈ হাৰ্দিক পাণ্ডিয়াই ২৭টা বলত ৫০ ৰান কৰাৰ বিপৰীতে বিৰাট কোহলিয়ে ২৮টা বলত ৩৭ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত বাংলাদেশে ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ কম বলত অৰ্ধশতক অৰ্জন কৰাৰ লগতে এটা উইকেট দখল কৰা হাৰ্দিক পাণ্ডিয়াক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। কালিৰ খেলখনত জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত উপনীত হোৱাটো প্ৰায় নিশ্চিত হৈছে। সম্প্ৰতি আফগানিস্তান আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত ছুপাৰ-এইট পৰ্যায়ৰ খেলখনত অঘটন নঘটিলে ভাৰত ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। আনহাতে, বাংলাদেশ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি বিয়লি বেংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিমায়ত অনুষ্ঠিত হ'ব। ভাৰতীয় দলটোৱে আজিৰ খেলখনত জয় লাভ কৰি শৃংখলাৰ আটাইকেইখন খেলতে বিজয়ী হোৱাৰ গৌৰৱ অৰ্জনৰ বাবে চেষ্টা চলাব। ভাৰতে শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাক ১৪৩ ৰানত পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত ৪ ৰানৰ ব্যৱধানত জয়লাভ কৰিবলৈ সমৰ্থ হৈছে।

ooooo

**সমাপ্ত**